**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। নিঃস্বাৰ্থ সেৱাই ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ মূল আধাৰ বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে মন্তব্য কৰিছে।

২। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জাহাজ নিৰ্মাণ আৰু সামুদ্ৰিক সামৰ্থৰ ক্ষেত্ৰত SHIPPING CORPORATION OF INDIA ৰ নেতৃস্থানীয় ভূমিকাৰ বিষয়ে উল্লেখ কৰে।

৩। গ্ল'বেল হৰ্টিকালছাৰ হাবে উদ্যান শস্য খণ্ডক শক্তিশালী কৰাৰ লগতে অন্ধ্ৰ প্ৰদেশৰ ৰায়ালাছীমা অঞ্চলৰ খেতিয়কসকলৰ বাবে উন্নত সুবিধাৰ সৃষ্টি কৰিব বুলি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰে।

৪। বিশ্ব বাণিজ্যত দেখা দিয়া অনিয়ম আৰু বিশৃংখলাসমূহ দূৰ কৰাৰ উদ্দেশ্যে ডব্লিউ টি অ'ৰ নিৰ্দেশনা অনুসৰি ব্যৱস্থা গ্ৰহণৰ বাবে ভাৰতে আহ্বান জনাইছে।*আৰু*

৫। জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে বৰ্তমানলৈকে ১৬টা সোণসহ মুঠ ৭৬টা পদেকেৰে তালিকাৰ পঞ্চম স্থানত আছে।

ooooo

নিঃস্বাৰ্থ সেৱাই ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ মূল আধাৰ বুলি উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে মন্তব্য কৰিছে। নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত একাদশ 'সন্ত ঈশ্বৰ সন্মান-২০২৬' প্ৰদান কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে দেশৰ মহান সন্ত আৰু চিন্তাবিদসকলে সৰু-বৰৰ প্ৰভেদ পাহৰি মানুহক আনৰ কল্যাণৰ বাবে আত্মনিয়োগ কৰিবলৈ সদায় প্ৰেৰণা যোগাই আহিছে। ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে বঁটাপ্ৰাপকসললক অভিনন্দন জনাই শ্ৰীৰাধাকৃষ্ণনে কয় যে এই সন্মানে নিস্বাৰ্থ সেৱাৰ মনোভাৱক স্বীকৃতি দিয়াৰ লগতে ভাৰতীয় সংস্কৃতি আৰু দায়বদ্ধতাক প্ৰতিফলিত কৰে।

উপৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে যে প্ৰতিগৰাকী নাগৰিক দেশৰ বিকাশৰ সমান অংশীদাৰ। 'স্বচ্ছ ভাৰত অভিযান'ৰ উদাহৰণ দাঙি ধৰি তেওঁ কয় যে জনসাধাৰণৰ

অংশগ্ৰহণে কেনেকৈ এটা চৰকাৰী কাৰ্যসূচীক গণ আন্দোলনলৈ ৰূপান্তৰিত কৰিব পাৰে, তাৰেই প্ৰমাণ এই অভিযানে ডাঙি ধৰিছে। প্ৰসংগক্ৰমে উপৰাষ্ট্ৰপতিগৰাকীয়ে উন্নয়নৰ প্ৰক্ৰিয়াত মানৱীয় প্ৰমূল্য, নৈতিকতা আৰু সামাজিক দায়িত্ববোধ অক্ষুণ্ণ ৰাখিবলৈকো আহ্বান জনায়।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় নৌ বহন নিগম - এছ্ চি আইক জাহাজ নিৰ্মাণ আৰু সামুদ্ৰিক সামৰ্থৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ হোৱাৰ  ক্ষেত্ৰত নেতৃস্থানীয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। SHIPPING CORPORATION OF INDIAৰ ৬৫ বছৰীয়া উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰী সোণোৱালে কালি ভাৰতৰ শক্তি আৰু বাণিজ্য সুৰক্ষাৰ ক্ষেত্ৰত বিশেষকৈ শেহতীয়া হৰমুজ প্ৰণালীৰ সংঘাটৰ সময়ত এছ্ চি আয়ে গ্ৰহণ কৰা সুৰক্ষামূলক ভূমিকাৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে Maritime Amrit Kaal Vision 2047 ৰ অধীনত দেশক জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত নেতৃস্থানীয় দেশ হিচাপে পৰিগণিত কৰাৰ লক্ষ্যত এছ্ চি আয়ে সহায় কৰিব।

মহাৰাষ্ট্ৰৰ মৎস্য পালন আৰু বন্দৰ মন্ত্ৰী নীতিশ নাৰায়ণ ৰাণে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি কয়, যে এছ্ চি আয়ে জাহাজ চলাচলৰ পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ লগতে বাণিজ্য, নিয়োগ আৰু সামুদ্ৰিক অৰ্থনীতি বৃদ্ধিৰ ক্ষেত্ৰত মহাৰাষ্ট্ৰ আৰু মুম্বাইৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আহিছে। বন্দৰ জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ৰ সচিব বিজয় কুমাৰে অনুষ্ঠানত অংশগ্ৰহণ কৰি এছ্ চি আইৰ ভূমিকাৰ কথা উল্লেখ কৰে।

এছ্ চি আইৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক কেপ্তেইন বি কে ত্যাগীও এই অনুষ্ঠানত উপস্থিত থাকে।

উল্লেখযোগ্য যে ১৯৬১ চনত এছ্ চি আইৰ মাত্ৰ ১৯ খন জাহাজ আছিল আৰু বৰ্তমান এই জাহাজৰ সংখ্যা ৫৮লৈ বৃদ্ধি পাইছে।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে গ্লʼবেল হৰ্টিকালছাৰ হাবে উদ্যান শস্য খণ্ডক শক্তিশালী কৰাৰ লগতে অন্ধ্ৰ প্ৰদেশৰ ৰয়ালছীমা অঞ্চলৰ খেতিয়কসকলৰ বাবে উন্নত সুবিধাৰ সৃষ্টি কৰিব। কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে কালি ৰাজ্যখনৰ আন্নমায়া জিলাৰ মদনাপল্লিত গ্লʼবেল হৰ্টিকালছাৰ হাব প্ৰকল্প আৰু ইণ্ডিয়ান স্কুল অব এগ্ৰিকালছাৰৰ আধাৰশিলা স্থাপন কৰি এইদৰে কয়। অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নায়ডু আৰু উপ-মুখ্যমন্ত্ৰী পৱন কল্যাণ এই অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে কয়, যে অন্ধ্ৰ প্ৰদেশক উদ্যান শস্যৰ এটা প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে একেলগে কাম কৰি আহিছে। মন্ত্ৰী শ্ৰীমতী সীতাৰমণে জল ব্যৱস্থাপনা, আধুনিক প্ৰযুক্তি আৰু আন্তঃগাঁথনি উন্নত কৰি কৃষকক সমৰ্থন কৰাৰ লগতে তেওঁলোকৰ আয় বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পি এম কিষাণ, শস্য বীমা আৰু পি এম কুসুম আদি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে জলবায়ু স্থিতিস্থাপক শস্যৰ জাত আৰু সৌৰ শক্তি চালিত কৃষি পাম্প সন্দৰ্ভতো মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ইণ্ডিয়ান স্কুল অব এগ্ৰিকালছাৰসমূহে কৃষকসকলক আধুনিক প্ৰযুক্তি, বৈজ্ঞানিক পদ্ধতি আৰু গৱেষণা ক্ষেত্ৰত কাম কৰিবলৈ উৎসাহিত কৰিব বুলিও উল্লেখ কৰে। তেওঁ লগতে

প্ৰতিষ্ঠানখন বিশ্বমানৰ কেন্দ্ৰ হ'ব বুলিও আশা ব্যক্ত কৰে। গ্ল'বেল হৰ্টি কালছাৰ হাবে ৰাজ্যখনৰ ১০ খন জিলাত আম, কল, বিলাহী আৰু ডালিমৰ খেতিক সামৰি ল'ব। এই প্ৰকল্পটো তিনিটা পৰ্যায়ত ৰূপায়ণ কৰা হ'ব।

ooooo

বিশ্ব বাণিজ্যত দেখা দিয়া অনিয়ম আৰু বিশৃংখলাসমূহ দূৰ কৰাৰ উদ্দেশ্যে বিশ্ব বাণিজ্য সংস্থা WTO-ৰ নীতি-নিৰ্দেশনা অনুসৰি পদক্ষেপ গ্ৰহণৰ বাবে ভাৰতে আহ্বান জনাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিলৱাকী চহৰত অনুষ্ঠিত জি-২০ বাণিজ্য মন্ত্ৰীসকলৰ বৈঠকৰ অন্তিম দিনা কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে এই সন্দৰ্ভত কয় যে, কিছুমান দেশৰ অৰ্থনীতিত চৰকাৰে আগবঢ়োৱা অনিয়মীয়া ৰাজসাহায্যই বিশ্ব বজাৰৰ স্বাভাৱিক বাণিজ্যিক ব্যৱস্থা ব্যাহত কৰে। এনে উদ্বেগসমূহ সস্তীয়া সামগ্ৰীৰ অনৈতিক বিক্ৰী বিৰোধী নীতি আৰু আইনী পৰ্যালোচনাৰ যোগেদি সমাধান কৰা উচিত বুলি তেওঁ উল্লেখ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, ভাৰত সম্প্ৰতি বিশ্বৰ ভিতৰতে দ্ৰুততম গতিত বিকাশ লাভ কৰা বৃহৎ অৰ্থনীতি, যিয়ে দেশৰ ১৪০ কোটি জনসাধাৰণৰ চাহিদা সফলভাৱে পূৰণ কৰি আহিছে। বিশ্বৰ যোগান শৃংখলাত ভাৰত নিৰ্ভৰযোগ্য অংশীদাৰ হৈ পৰা অভিহিত কৰি তেওঁ কয় যে বিশ্ব বাণিজ্য সংস্থাৰ মূল নীতিৰ আধাৰত এটা স্বচ্ছ, নিয়মভিত্তিক আৰু নিৰপেক্ষ বহুপাক্ষিক বাণিজ্য ব্যৱস্থা গঢ়ি তুলিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ।

বৈঠকৰ আঁত ধৰি শ্ৰীগোৱেলে অষ্ট্ৰেলিয়া, ছৌদী আৰৱ আৰু দক্ষিণ কোৰিয়াকে ধৰি কেইবাখনো দেশৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰীসকলৰ সৈতে পৃথকে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

ooooo

পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে জনসাধাৰণলৈ জনোৱা আহ্বান এতিয়া চৰকাৰী প্ৰশাসনৰ এটা স্থায়ী কাৰ্যসূচীত পৰিণত হৈছে বুলি কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে মন্তব্য কৰিছে। নতুন দিল্লীত 'বিশেষ স্বচ্ছতা অভিযান ৬.০' ৰ ৰূপায়ণ প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে মুকলি কৰি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে যে, ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ পৰা জনোৱা আহ্বানৰ পাছতেই এই অভিযানে এটা গণ আন্দোলনৰ ৰূপ লাভ কৰে। ড° সিঙে উল্লেখ কৰে যে এই অভিযানে পুৰণি ফাইলসমূহৰ

নিষ্পত্তি, অলাগতিয়াল আচবাব আঁতৰোৱা, ই-ফাইলৰ ব্যৱহাৰ বৃদ্ধি আৰু বৰ্জিত সামগ্ৰীৰ সদ্ব্যৱহাৰৰ যোগেদি সু-শাসন প্ৰতিষ্ঠাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে নিজে শ্ৰমদান কৰাৰ লগতে 'এক পেড মা কে নাম' কাৰ্যসূচীৰ অধীনত গছপুলি ৰোপণ কৰে আৰু চাফাই কৰ্মীসকলক সুৰক্ষা সামগ্ৰী প্ৰদান কৰে।।

কাৰ্যসূচীৰ অংশস্বৰূপে মন্ত্ৰীগৰাকীয়ে শ্ৰমদান কৰাৰ লগতে 'এক পেড় মা কে নাম' কাৰ্যসূচীৰ অধীনত বৃক্ষৰোপণ কৰাৰ লগতে চাফাই মিত্ৰসকলক সুৰক্ষা সঁজুলি প্ৰদান কৰে। ইয়াৰ উপৰি ডঃ সিঙে চি এছ আই আৰৰ সদৰ কাৰ্যালয়ত স্বচ্ছতাৰ শপত গ্ৰহণ আৰু বৃক্ষৰোপণ কাৰ্যসূচীত নেতৃত্ব প্ৰদান কৰে। এই বিশেষ অভিযানৰ ৰূপায়ণ পৰ্যায় অহা ৩১ অক্টোবৰলৈকে অব্যাহত থাকিব।

০০০০০

জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতীয় এথলীটসকলৰ সুন্দৰ প্ৰদৰ্শনৰ ধাৰা অব্যাহত আছে। ভাৰতে কালি হকী, মল্লযুঁজ, আৰ্চাৰীত এটাকৈ আৰু বক্সিঙত তিনিটাকে ধৰি মুঠ ছটা সোণৰ পদক লাভ কৰে।

ভাৰতীয় মহিলা হকী দলটোৱে ফাইনেলত চীনক ১-০ গ'লত  পৰাস্ত কৰি সোণৰ পদক লাভ কৰে।

ভাৰতীয় মল্লযুঁজাৰু সুজিৎ কালকালে পুৰুষৰ ৬৫ কিলোগ্ৰাম ফ্ৰী ষ্টাইল ইভেণ্টত স্বৰ্ণ জয় কৰে। সুজিৎ কালকালে এই জয়েৰে যোগেশ্বৰ দত্ত আৰু বজৰংগ পুনিয়াৰ পাছত মল্লযুঁজত এছিয়ান গেমছত পুৰুষৰ ৬৫ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰা তৃতীয়জন ভাৰতীয় হিচাপে পৰিগণিত হৈছে।

বক্সিঙত পাৰবীন হুদাই মহিলাৰ ৬৫ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰিছে। অংকুশ পাংঘালে পুৰুষৰ ৮০ কিলোগ্ৰাম শাখাত দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দ্বীক হৰুৱাই সোণৰ পদক লাভ কৰে।

ইয়াৰ পূৰ্বে লাভলীনা বৰগোহাঁয়ে মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰে। লাভলীনাই ফাইনেলত চীনৰ বাও ঝিয়িক ৫-০ৰ ফলাফলত পৰাস্ত কৰে।

একেদৰে, ভাৰতৰ মহিলা আৰ্চাৰী দলে কালি ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত সোণৰ পদক লাভ কৰে। এছিয়ান গেমছৰ ইতিহাসত মহিলাৰ ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত এয়া ভাৰতৰ প্ৰথমটো স্বৰ্ণপদক।

ভাৰতে আৰ্চাৰীৰ মিক্সড ৰিকাৰ্ভ শাখাতো ৰূপৰ পদক অৰ্জন কৰে। কুমকুম অনিল মোহোড় আৰু ধীৰাজ বোম্মাদেৰৰা কালি ফাইনেলত চীনৰ প্ৰতিদ্বন্দ্বিৰ বিৰুদ্ধে ৩-৫ৰ ফলাফলত পৰাজিত হয়। নাও চালনাত নেত্ৰা কুমাননে মহিলাৰ ডিঙা শিতানত ব্ৰঞ্জৰ পদক হস্তগত কৰে।

ভাৰত এছিয়ান গেমছত বৰ্তমানলৈকে ১৬টা সোণ, ২৫টা ৰূপ আৰু ৩৫টা ব্ৰঞ্জৰ পদকসহ মুঠ ৭৬টা পদেকেৰে তালিকাৰ পঞ্চম স্থানত আছে।

০০০০০

সমাপ্ত